জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩০/২০২০

# বহিঃৰাজ্যত আৱদ্ধ হৈ থকা অসমৰ লোকসকলক ওভতাই অনাৰ সন্দৰ্ভত উচ্চ পৰ্যায়ৰ আলোচনা

## পৰ্যায়ক্ৰমে বহিঃৰাজ্যত আৱদ্ধ হৈ থকা লোকসকলক উভতাই অনাৰ বাবে নীতি নিৰ্দ্ধাৰণ কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## লক-ডাউন বৃদ্ধিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা শিথিলতা সমূহৰ সম্পৰ্কে অসম চৰকাৰে শীঘ্ৰে পৰ্যালোচনা কৰি ৰাইজক অৱগত কৰিব

**দিছপুৰ, ১ মে'ঃ** বহিঃৰাজ্যত আৱদ্ধ হৈ থকা অসমৰ লোকসকলক পৰ্যায়ক্ৰমে ৰাজ্যলৈ ওভতাই অনাৰ দিশত প্ৰয়োজনীয় পৰিকল্পনা যুগুত কৰিবলৈ আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰহিত্যত ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাজ্যৰ লোকসকলক ওভতাই অনাৰ বাবে নীতি নিৰ্দ্ধাৰণ কৰাৰ বিষয়টো বিতংভাৱে আলোচনা কৰা হয়।

কেন্দ্ৰীয় চৰকাৰে লক-ডাউন বৃদ্ধি কৰাৰ বাবে লোৱা সিদ্ধান্তক এই বৈঠকে আদৰণি জনায়। বৈঠকত বৰ্দ্ধিত লক-ডাউনৰ সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰে জাৰি কথা শিথিলতা সমূহ ৰাজ্যখনত প্ৰয়োগ কৰাৰ সম্পৰ্কত শীঘ্ৰে পৰ্যালোচনা কৰি এই সন্দৰ্ভত ৰাইজক অৱগত কৰাৰ সিদ্ধান্ত লোৱা হয়। আজিৰ এই বৈঠকতে সমগ্ৰ দেশৰ লগতে অসমতো বলবৎ হৈ থকা লক-ডাউনৰ বিভিন্ন দিশসমূহ আলোচনা কৰা হয়। বৈঠকত বিত্ত বিভাগৰ প্ৰধান সচিব গৰাকীয়ে বহিঃৰাজ্যত আৱদ্ধ হৈ থকা লোকসকলক অসমলৈ ওভতাই অনাৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া পদক্ষেপ সমূহৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

উল্লেখ্য যে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে বহিঃৰাজ্যত আৱদ্ধ হৈ থকা জনসাধাৰণক নিজ ৰাজ্যলৈ ওভতাই অনাৰ বাবে নডেল বিষয়া নিযুক্তি দিয়া সংক্ৰান্তত জাৰি কৰা নিৰ্দেশৰ ভিত্তিত ৰাজ্য চৰকাৰে অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা) জি পি সিঙক নডেল বিষয়া হিচাপে নিয়োগ কৰিছে। আনহাতে বিকল্প নডেল বিষয়া হিচাপে অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (নিৰাপত্তা) হৰমিৎ সিঙকো নিযুক্তি দিয়া হৈছে।

আজিৰ এই বৈঠকত বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, পৰিবহন বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকা, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত প্ৰমুখ্যে ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া আৰু শীৰ্ষ আৰক্ষী বিষয়াসকল উপস্থিত আছিল।

**পুঃডেঃ / বীঃগঃ**
**১/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in